# DECLARATION OF THE RESULT OF NAAC PEER TEAM'S VISIT TO SARAIGHAT COLLEGE ON 1ST MAY, 2023



Guwahati, Wednesday, May 3, 2023
দৈনিক জনমভূমি

## শৰাইঘাট মহাবিঃলৈ নাকৰ 'এ' গ্ৰেড

**মহানগৰ ব্যুৰ', ২ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ গৃহ সমষ্টি জালুকবাৰীস্থিত চাংসাৰিৰ শৰাইঘাট মহাবিদ্যালয়ে নেশ্যনেল এক্ৰিডিটেশ্যন এণ্ড এছেছমেণ্ট কাউন্সিল (নাক)ৰ পৰা 'এ' গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছে। এই উৎসাহজনক খবৰটো অহাৰ লগে লগে এইম্ছৰ গাতে লাগি থকা মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, লাইব্ৰেৰিয়ান আৰু বিভিন্ন ক্ষেত্ৰৰ কৰ্মচাৰী আৰু মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ কৰ্মকৰ্তাসকলৰ লগতে বৃহত্তৰ চাংসাৰি-জালুকবাৰী সমষ্টিৰ অঞ্চলবাসী ৰাইজৰ মাজত আনন্দৰ লহৰ পৰিলক্ষিত হয়। মহাবিদ্যালয়খনৰ এনে সাফল্যত ওচৰ চুবুৰীয়াৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা অগণন লোকে মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী সকলোকে অভিনন্দন জ্ঞাপন কৰে। উল্লেখযোগ্য যে যোৱা ২০ আৰু ২১ এপ্ৰিলত নাকৰ এটি তিনিজনীয়া দলে মহাবিদ্যালয়খনৰ সকলো বিভাগৰ কাম-কাজৰ তন্নতন্নকৈ পৰিদৰ্শনৰ কৰি অলেখ-লেখ লৈছিল। উক্ত কালছোৱাত ওড়িষাৰ ভুৱেনশ্বৰৰ কলিংগস্থিত ইনষ্টিটিউট অব্ ছ'চিয়েল ছায়েন্সৰ উপাচাৰ্য দীপক কুমাৰ বেহৰা, উত্তৰাখাণ্ডৰ কৌমান বিশ্বিবদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপক মহেশ চি যোশী আৰু অন্ধ্ৰ প্ৰদেশৰ শ্ৰী দুৰ্গা মালেশ্বৰ সিদ্ধাৰ্থ মহিলা কলাশালাৰ অধ্যক্ষা বিজয়ালক্ষ্মী টিয়ে সামগ্ৰিকভাৱে মহাবিদ্যালয়খনৰ বাহ্যিক আৰু অভ্যন্তৰীণ মূল্যায়ন কৰিছিল।

মঙলবাৰ, ২ মে' ২০২৩ নিয়মীয়া বাৰ্তা

## শৰাইঘাট মহাবিদ্যালয়ৰ নাকৰ 'এ' গ্ৰেড লাভ

**গুৱাহাটী, ১ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ গৃহ সমষ্টি জালুকবাৰীস্থিত চাংসাৰিৰ শৰাইঘাট মহাবিদ্যালয়ে নেচেনল এক্ৰিডিয়েচন এণ্ড এছেছমণ্ট কাউন্সিল, চমুকৈ (এনএএচি) 'নাক'ৰ পৰা 'এ' গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছে। আজি বিয়লি নাকৰ পৰা এনে উৎসাহজনক খবৰটো অহাৰ লগে লগে এইমছৰ গাতে লাগি থকা মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, লাইব্ৰেৰিয়ান আৰু বিভিন্ন ক্ষেত্ৰৰ কৰ্মচাৰীসকলৰ মাজত আনন্দ-উলাহৰ ধল উঠে। তদুপৰি, বৃহত্তৰ চাংসাৰি-জালুকবাৰী সমষ্টিৰ ৰাইজৰ মাজত আনন্দৰ লহৰ পৰিলক্ষিত হয়। আনন্দৰ জোৱাৰ উঠে মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ কৰ্মকৰ্তাসকলৰ মাজতো। সমষ্টিবাসীৰ অগণিত লোকে এনে আনন্দ-উৎসৱত ভাগ লোৱা দেখা যায়। ভাল খবৰটো বিয়পি পৰাৰ লগে লগে নাচ-গানেৰে অসংখ্যজনে ব'হাগ বিহুৰ মাদকতা দুগুণে বৃদ্ধি কৰে আৰু মহাবিদ্যালয়খনৰ এনে সাফল্যত ওচৰ-চুবুৰীয়া বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা অগণন লোকে মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী সকলোকে অভিনন্দন জ্ঞাপন কৰে।

নিৰ্ভীক, নিৰপেক্ষ

অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

❒ গুৱাহাটী সংস্কৰণ ❒ মুঠ পৃষ্ঠা ১২

৪৭৭২৯১, ২৪৭৭২৯২ দ্বাবিংশতিতম বছৰ সংখ্যা ১৬৭ মঙ্গলবাৰ ১৮ ব'হাগ ১৯৪৫ শক ২'মে' ২০২৩ চন ASOMIYA KHABAR GUWAHATI TUES

# শৰাইঘাট মহাবিদ্যালয়লৈ নাকৰ 'এ' গ্ৰেড

আমিনগাঁও, ১ মে' ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ গৃহ সমষ্টি চাংসাৰিস্থিত শৰাইঘাট মহাবিদ্যালয়লৈ নেচনেল এক্ৰিদিয়েচন এণ্ড এছেছমেণ্ট কাউন্সিল চমুকৈ (NAAC)ৰ পৰা এ গ্ৰেড (A grade) লাভ কৰিবলৈ সক্ষম হৈছে। আজি বিয়লি নাকৰ পৰা এনে এক উৎসাহজনক খবৰটো অহাৰ লগে লগে এইমছৰ গাতে লাগি থকা মহাবিদ্যালয়খনিৰ ছাত্ৰ-ছাত্ৰী, অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, লাইব্ৰেৰীয়ান আৰু বিভিন্ন ক্ষেত্ৰৰ কৰ্মচাৰীসকলৰ উপৰি বৃহত্তৰ চাংসাৰি-জালুকবাৰী সমষ্টিৰ অঞ্চলবাসী ৰাইজৰ মাজত আনন্দৰ লহৰ উঠে। আনন্দৰ জোৱাৰ উঠে মহাবিদ্যালয়খনিৰ পৰিচালনা সমিতিৰ কৰ্মকৰ্তাসকলৰ মাজতো। সমষ্টিবাসীৰ অগণিত লোকে এনে আনন্দ উৎসৱত ভাগ লোৱা পৰিলক্ষিত হয়। নাচ-গানৰে অসংখ্যজনে ব'হাগ বিহুৰ মাদকতা দুগুণে বৃদ্ধি কৰে আৰু মহাবিদ্যালয়খনৰ এনে সাফল্যত ওচৰ চুবুৰীয়াৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা অগণন লোকে মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক, অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী সকলোকে অভিনন্দন জনায়। উল্লেখযোগ্য যে যোৱা ২০ আৰু ২১ এপ্ৰিলত নাকৰ এটি তিনিজনীয়া দলে মহাবিদ্যালয়খনৰ সকলো বিভাগৰ কাম-কাজ তন্নতন্নকৈ পৰিদৰ্শন কৰি আলেখলেখ লৈছিল। উক্ত কালছোৱাত ওৰিষাৰ ভুৱনেশ্বৰৰ কলিংগস্থিত ইনষ্টিটিউট অব ছ'চিয়েল ছায়েন্সৰ উপাচাৰ্য দীপক কুমাৰ বেহেৰা, উত্তৰাখণ্ডৰ কৌমান বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপক মহেশ চি যোশী আৰু অন্ধ্ৰপ্ৰদেশৰ শ্ৰী দুৰ্গা মালেশ্বৰ সিদ্ধাৰ্থ মহিলা কলাশালাৰ অধ্যক্ষা বিজয়া লক্ষ্মী টিয়ে সামগ্ৰিকভাৱে মহাবিদ্যালয়খনৰ বাহ্যিক আৰু আভ্যন্তৰীণ মূল্যায়ন কৰিছিল।

THE ASSAM TRIBUNE, GUWAHATI 7

FFICIAL GUWAHATI, THURSDAY, MAY 11, 2023

# Saraighat College gets NAAC 'A' grade

GUWAHATI, May 10: Saraighat College, Changsari, has been awarded 'A' grade by the National Assessment and Accreditation Council (NAAC), Bangalore. A three-member peer team of NAAC visited the college last month and the results of its assessment were declared a few days back. Saraighat College scored 3,04 CGPA. The NAAC team praised the college for its infrastructure, well-maintained library, student-centric learning, pollution-free campus and an active alumni association.

They recommended that the college should procure land for campus expansion and introduce Commerce and Science streams along with master's degree programme in Social Sciences and Humanities. The college principal, Dr Mani Sarmah, and IQAC coordinator Prof Navajyoti Patowary thanked the peer team along with the stakeholders for the successful completion of the process.

The college fraternity and the stakeholders hoped that the team's recommendations would be fulfilled in the near future.